**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 20-JUNE-2026
**Time :** 09-00 AM

***Assamese Morning Bulletin***
——————————————

## HEADLINE

১। অসমে বহিঃ সাহায্যপ্ৰাপ্ত প্ৰকল্পৰ সফল ৰূপায়ণৰ জৰিয়তে উদ্ভাৱনক উৎসাহিত কৰাৰ সমান্তৰালকৈ জনসাধাৰণক ইয়াৰ সুফল প্ৰদান কৰিবলৈ সমৰ্থ হৈছে বুলি মুখ্যমন্ত্ৰীৰ মন্তব্য।

২। অসমৰ জাতীয় জীৱনৰ প্ৰাতঃস্মৰণীয় পুৰুষ কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ ৫৮ সংখ্যক স্মৃতি দিৱস উপলক্ষে আজি ৰাজ্যৰ বিভিন্ন প্ৰান্তত বৰ্ণাঢ্য কাৰ্যসূচী।

৩। শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আয়োজিত বিষ্ণুৰাভা দিৱসৰ কাৰ্যসূচীত ৰাজ্যিক আৰু ৰাষ্ট্ৰীয় পৰ্যায়ৰ বঁটা প্ৰদান অনুষ্ঠান।

৪। কাইলৈ হ'বলগীয়া নীটৰ পুনৰ পৰীক্ষাৰ বাবে দেশজুৰি মকড্ৰিল অনুষ্ঠিত। *আৰু*

৫। বিশ্বকাপ ফুটবল প্ৰতিযোগিতাত আজি পুৱাৰ এখন খেলত তুৰ্কীয়ে, পেৰাগুৱেৰ বিৰুদ্ধে অৱতীৰ্ণ।

০০০০০০

অসমে বহিঃ সাহায্যপ্ৰাপ্ত প্ৰকল্পৰ সফল ৰূপায়ণৰ জৰিয়তে উদ্ভাৱনক উৎসাহিত কৰাৰ সমান্তৰালকৈ জনসাধাৰণক ইয়াৰ সুফল প্ৰদান কৰিবলৈ সমৰ্থ হৈছে। শ্বিলঙত কালি কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমনৰ অধ্যক্ষতাত উত্তৰ-পূবৰ ৰাজ্যসমূহৰ বিকাশ আৰু উন্নয়নৰ বাবে বহিঃ সাহায্যপ্ৰাপ্ত প্ৰকল্পৰ ব্যৱহাৰ শীৰ্ষক আলোচনাত অংশ লৈ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এইদৰে প্ৰকাশ কৰে। উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন ৰাজ্যৰ মুখ্যমন্ত্ৰী আৰু জ্যেষ্ঠ বিষয়াসকলৰ উপস্থিতিত অনুষ্ঠিত এই আলোচনাচক্ৰত কেন্দ্ৰীয় চৰকাৰৰ জৰিয়তে গোলকীয় উন্নয়ন সংস্থাসমূহৰ সহযোগিতাত ৰূপায়ণ কৰা বহিঃ সাহায্যপ্ৰাপ্ত প্ৰকল্পসমূহে এই ৰাজ্যকেইখনত আৰ্থসামাজিক বিকাশ আৰু উন্নয়ন ত্বৰান্বিত কৰাৰ ক্ষেত্ৰত লোৱা গুৰুত্বপূৰ্ণ ভূমিকা সন্দৰ্ভত আলোচনা কৰা হয়। বৈঠকত ভাষণ দি মুখ্যমন্ত্ৰীগৰাকীয়ে অসমৰ আন্তঃগাঁথনি উন্নয়নৰ কথা উল্লেখ কৰি মাত্ৰ তিনি বছৰ পাঁচ মাহৰ ভিতৰত নামনি কপিলী জলবিদ্যুৎ প্ৰকল্প সফলভাৱে সম্পূৰ্ণ কৰাৰ বিষয়ে প্ৰকাশ কৰে। তেওঁ লগতে কুমাৰ ভাস্কৰ বাৰ্মা সেতু আৰু আৰু নিৰ্মীয়মান ধুবুৰী-ফুলবাৰী সেতুৰ দৰে যুগান্তকাৰী প্ৰকল্পসমূহে ৰাজ্যখনৰ শক্তিশালী উন্নয়নৰ নিদৰ্শন দাঙি ধৰিছে বুলি মন্তব্য কৰে।

বাইট

ড° শৰ্মাই চতুৰ্দশ বিত্ত আয়োগৰ সময়ছোৱাত অসমে ৭ হাজাৰ ৫০০ কোটি টকাৰ ৯টা বৈদেশিক সাহায্যপ্ৰাপ্ত প্ৰকল্প লাভ কৰিছিল বুলি উল্লেখ কৰি পঞ্চদশ বিত্ত আয়োগৰ সময়ছোৱাত ৰাজ্যখনে ৫৩ হাজাৰ কোটি টকাৰ প্ৰকল্পৰ অনুমোদন লাভ কৰাৰ কথা প্ৰকাশ কৰে। তেওঁ কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন খণ্ডত অভূতপূৰ্ব বিকাশ সাধন হৈছে। স্বাস্থ্যসেৱা, শিক্ষা, নিয়োগ, আন্তঃগাঁথনি উন্নয়ন, দক্ষতা বিকাশ আদিৰ দিশত থকা প্ৰত্যাহ্বানসমূহ সমাধানৰ ক্ষেত্ৰত বহিঃ সাহায্যপ্ৰাপ্ত প্ৰকল্পসমূহৰ সুনিৰ্দিষ্ট লক্ষ্য আৰু সুসংহতিত পদ্ধতিৰে ৰূপায়ণে এই খণ্ডৰ বিকাশত অৰিহণা যোগাইছে বুলি মুখ্যমন্ত্ৰী ড° শৰ্মাই উল্লেখ কৰে।

০০০০০০

অসমৰ জাতীয় জীৱনৰ প্ৰাতঃস্মৰণীয় পুৰুষ কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ ৫৮ সংখ্যক স্মৃতি দিৱস আজি ৰাজ্যৰ বিভিন্ন প্ৰান্তত বৰ্ণাঢ্য কাৰ্যসূচীৰে আয়োজন কৰা হৈছে। স্বাধীনতা সংগ্ৰামৰ পৰা আৰম্ভ কৰি শিল্প, সাহিত্য, সংস্কৃতি

আৰু বৌদ্ধিক ক্ষেত্ৰলৈ বিষ্ণুপ্ৰসাদ ৰাভাই অনবদ্য অৱদান আগবঢ়াই থৈ গৈছে। তেওঁৰ সংগ্ৰামী জীৱনাদৰ্শ আৰু সৃষ্টিৰাজিয়ে প্ৰতিগৰাকী অসমীয়াক চিৰদিন অনুপ্ৰাণিত কৰি আহিছে।

(গান)

ৰাজ্যৰ বিভিন্ন ঠাইত ৰাভা দিৱস উপলক্ষে আজি বিভিন্ন অনুষ্ঠানৰ আয়োজন কৰা হৈছে। সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত আজি গুৱাহাটীৰ পাঞ্জাবাৰীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ শ্ৰী শ্ৰী দামোদৰদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত বিষ্ণুৰাভা দিৱস উদযাপন কৰা হ'ব। এই অনুষ্ঠানতে ২০২৬ বৰ্ষৰ বিষ্ণুৰাভা বঁটা আৰু সতী সাধনী বঁটাৰ লগতে ৰাষ্ট্ৰীয় পৰ্যায়ৰ, ২০২৫ বৰ্ষৰ আজানপীৰ বঁটা প্ৰদান কৰা হ'ব। উল্লেখযোগ্য যে জিকিৰ আৰু জাৰীৰ প্ৰসিদ্ধ শিল্পী গোলাঘাটৰ ছামচুদ্দিন আহমেদলৈ ২০২৫ বৰ্ষৰ আজানপীৰ ৰাষ্ট্ৰীয় বঁটা আগবঢ়োৱা হৈছে। সত্ৰীয়া শিল্পী মাণিক বৰবায়ন আৰু চিত্ৰশিল্পী মধুসূদন দাসলৈ ৰাজ্যিক পৰ্যায়ৰ ২০২৬ বৰ্ষৰ বিষ্ণুৰাভা বঁটা আগবঢ়োৱা হৈছে। লেখিকা গীতা উপাধ্যায়লৈ ২০২৬ বৰ্ষৰ সতী সাধনী বঁটা আগবঢ়োৱা হৈছে। অসমৰ সমাজ, সাহিত্য, সংস্কৃতি আৰু কলাক্ষেত্ৰলৈ আগবঢ়োৱা অৱদানৰ বাবে তেওঁলোকক এই সন্মানীয় বঁটা প্ৰদান কৰা হ'ব। ৰাষ্ট্ৰীয় বঁটাপ্ৰাপকগৰাকীক ৩ লাখ টকা আৰু ৰাজ্যিক বঁটাপ্ৰাপক তিনিগৰাকীক ২ লাখ টকাকৈ ধনৰাশিও প্ৰদান কৰা হ'ব।

এই অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। অনুষ্ঠানত সাংস্কৃতিক পৰিক্ৰমা আদি বিভাগৰ মন্ত্ৰী বিমল বৰা, সাংসদ বিজুলী কলিতা মেধি, দিছপুৰৰ বিধায়ক প্ৰদ্যুৎ বৰদলৈৰ লগতে নিৰ্দিষ্ট বক্তা হিচাপে লেখক, গৱেষক ড° অনিল শইকীয়া উপস্থিত থাকিব।

সদৌ অসম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় বিষ্ণু ৰাভা দিৱস কালিৰেপৰা দুদিনীয়া কাৰ্যসূচীৰে বৰপেটাৰ হাউলিত উদযাপন কৰা হৈছে। এই সন্দৰ্ভত সবিশেষ জনাইছে বৰপেটাৰ পৰা আমাৰ সংবাদদাতা অৰূপজ্যোতি মহন্তই –

বাইট

ভাৰতীয় গণনাট্য সংঘ, গুৱাহাটী মহানগৰ সমিতিৰ উদ্যোগত চানমাৰিৰ গুৱাহাটী আৰ্টিষ্ট গীল্ডৰ সভাকক্ষত এই দিৱসৰ আয়োজন কৰা হৈছে।

সমগ্ৰ শিক্ষা ডিব্ৰুগড় জিলাৰ উদ্যোগত আৰু শিক্ষক-শিক্ষয়িত্ৰীৰ উমৈহতীয়া মঞ্চ মন্থনৰ সহযোগত আজি ডিব্ৰুগড় ৰে'লৱে হাইস্কুলত ৰাভা দিৱস উপলক্ষে বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। সমগ্ৰ শিক্ষা আৰু মন্থনৰ প্ৰচেষ্টাত বিষ্ণু প্ৰসাদ ৰাভাৰ গীতৰ সমবেত সংগীত প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। খণ্ড পৰ্যায়ত দুটাকৈ দলে জিলাভিত্তিক মূল প্ৰতিযোগিতাত অংশ ল'ব।

অসম সাহিত্য সভা আৰু শ্ৰীমন্ত শংকৰদেৱ সংঘৰ যৌথ উদ্যোগত জিলা সাহিত্য সভা আৰু শংকৰদেৱ সংঘৰ ধেমাজি জিলা শাখাৰ সহযোগত গোগামুখ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত আজি কেন্দ্ৰীয়ভাৱে বিষ্ণুৰাভা দিৱস উদযাপন কৰা হ'ব।

oooooo

ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থাৰ দ্বাৰা পৰিচালিত চিকিৎসা বিজ্ঞানৰ স্নাতক পাঠ্যক্ৰমত নামভৰ্তিৰ প্ৰৱেশ পৰীক্ষা – নীট কাইলৈ হ'বলগীয়া পুনৰ পৰীক্ষাৰ বাবে দেশজুৰি আজি মকড্ৰিল বা আখৰা অনুষ্ঠিত হৈছে। আজি পুৱা ক্ষন্তেক আগতে আৰম্ভ হোৱা এই মকড্ৰিল সন্ধিয়া পৰ্যন্ত অব্যাহত থাকিব। এই মকড্ৰিলত দুই লাখ ৫ হাজাৰ নিৰাপত্তাৰক্ষীক নিয়োজিত কৰা হৈছে। মুঠ তিনিতৰপীয়া নিৰাপত্তা বেষ্টনীৰ ব্যৱস্থা গঢ়া এই পৰীক্ষাৰ সকলো কেন্দ্ৰ ইতিমধ্যে নেচনেল টেষ্টিং এজেন্সিক অৰ্পণ কৰা হৈছে। কেন্দ্ৰীয় চৰকাৰৰ তথ্য অনুসৰি প্ৰশ্নকাকত আৰু প্ৰশ্নোত্তৰ বহী সুৰক্ষা কৰি ৰখা প্ৰক্ৰিয়াটোত অৰ্ধসামৰিক বাহিনীক নিয়োজিত কৰা হ'ব। সমগ্ৰ দেশৰ ৫ হাজাৰৰো অধিক কেন্দ্ৰত কাইলৈ হ'বলগীয়া এই পৰীক্ষাৰ প্ৰক্ৰিয়া নিখুঁত আৰু ক্ৰটিমুক্ত কৰাৰ উদ্দেশ্যেৰে চিচিটিভি নিৰীক্ষণৰ ব্যৱস্থা কৰা হৈছে। ইয়াৰ জৰিয়তে সমগ্ৰ পৰীক্ষা প্ৰক্ৰিয়াটো নেচনেল টেষ্টিং এজেন্সিয়ে তদাৰক কৰিব। ইয়াৰ উপৰি সামাজিক মাধ্যমৰ গতিবিধি লক্ষ্য কৰাৰ উদ্দেশ্যে এখন উচ্চ পৰ্যায়ৰ তদাৰক সমিতি গঠন কৰা হৈছে। পৰীক্ষাক কেন্দ্ৰ তদন্তকাৰী আৰু নিৰাপত্তা

সংস্থালৈ হাই এলাৰ্ট জাৰি কৰা হৈছে। জিলা প্ৰশাসনৰ উপৰি ৰাজ্য চৰকাৰ আৰু কেন্দ্ৰীয় চৰকাৰৰ ফালৰ পৰাও এই পৰীক্ষা ব্যৱস্থাত সামগ্ৰিকভাৱে দৃষ্টি ৰখা হ'ব। উল্লেখযোগ্য যে কাইলৈ এই পৰীক্ষাত অৱতীৰ্ণ হোৱাৰ উদ্দেশ্যে ২২ লাখ পৰীক্ষাৰ্থীয়ে নাম পঞ্জীয়ন কৰিছে। ইয়াৰ ১৮ লাখে ইতিমধ্যে এডমিট কাৰ্ড ডাউনলোড কৰিছে।

কাইলৈ হ'বলগীয়া এই পৰীক্ষা শান্তিপূৰ্ণ আৰু নিকাভাৱে পৰিচালনা কৰাৰ লক্ষ্যৰে ৰাজ্যৰ জিলা প্ৰশাসনসমূহো ইতিমধ্যে সাজু হৈ উঠিছে। ডিব্ৰুগড় জিলা প্ৰশাসনৰ এটা দলে জিলাখনৰ পৰীক্ষা অনুষ্ঠিত হ'বলগীয়া ৫টা কেন্দ্ৰ কালি পৰিদৰ্শন কৰে। দলটোৱে পৰীক্ষা কেন্দ্ৰসমূহৰ সুযোগ-সুবিধাৰ বুজ লয়।

শোণিতপুৰ আৰু নগাঁও জিলা প্ৰশাসনেও কাইলৈৰ পৰীক্ষাৰ বাবে যাৱতীয় সকলো ব্যৱস্থা গ্ৰহণ কৰিছে।

০০০০০০

ডিব্ৰুগড় জিলাৰ মৰাণ আৰক্ষীয়ে কালি নিশা অভিযান চলাই বুজন পৰিমাণৰ ভাংসহ এজন যুৱকক আটক কৰে। আটকাধীন লোকজন দিখাৰি গাঁৱৰ পংকজ দত্ত বুলি জানিব পৰা গৈছে। উল্লেখযোগ্য যে ডিব্ৰুগড় আৰক্ষীয়ে জিলাখনত নিচাজাতীয় সামগ্ৰীৰ বিৰুদ্ধে প্ৰতিদিনে অভিযান চলাই আছে।

০০০০০০

বিশ্বকাপ ফুটবল প্ৰতিযোগিতাত আজি পুৱাৰ এখন খেলত তুৰ্কীয়ে, পেৰাগুৱেৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে। পেৰাগুৱে সম্প্ৰতি ১-০ গ'লত আগবাঢ়ি আছে। ভাৰতীয় সময় অনুসৰি আজি পুৱা ৬ বজাত ফিলাডেলফিয়াত অনুষ্ঠিত আন এখন খেলত ব্ৰাজিলে হেইটীক ৩-০ গ'লত পৰাস্ত কৰে।

ইয়াৰ পূৰ্বে আজি পুৱতি নিশা চাৰে ৩ বজাত অনুষ্ঠিত গ্ৰুপ-বিৰ এখন খেলত মৰক্কোৱে স্কটলেণ্ডক ১-০ গ'লত পৰাস্ত কৰে। ইপিনে কালি ছিয়াতল ষ্টেডিয়ামত অনুষ্ঠিত গ্ৰুপ-ডিৰ এখন খেলত আমেৰিকা যুক্তৰাষ্ট্ৰই অষ্ট্ৰেলিয়াক ২-০ গ'লত পৰাস্ত কৰি নকআউট পৰ্যায়ত প্ৰৱেশ কৰে। আমেৰিকাই এতিয়ালৈকে খেলা দুখন খেলৰ দুয়োখনতে জয়লাভ কৰি মেক্সিকোৰ পাছতে নকআউট পৰ্যায়ত প্ৰৱেশ কৰা দ্বিতীয়টো দল হিচাপে বিবেচিত হৈছে। উল্লেখযোগ্য যে আমেৰিকাই প্ৰথমবাৰৰ বাবে এখন খেল বাকী থকা অৱস্থাত গ্ৰুপ পৰ্যায়ৰ পৰা এই যোগ্যতা অৰ্জন কৰিছে।

০০০০০০

জাপানৰ অৰ্ধশতাধিক কৰ্পৰেট গোষ্ঠীক লগত লৈ গুৱাহাটীলৈ প্ৰধানমন্ত্ৰী টাকাইচী, ৰাজ্যত ৩ লাখ ৬০ হাজাৰ হেক্টৰ বৃক্ষ আৱৰণ হ্ৰাস, অনিশ্চয়তাত মধ্য প্ৰাচ্যৰ শান্তি প্ৰক্ৰিয়া, অহা বছৰৰ পৰা চৰকাৰী স্কুটী নাপায় মেধাৱী ছাত্ৰীয়ে আদি বাতৰিয়ে আজি গুৱাহাটীৰ পৰা প্ৰকাশিত দৈনিক বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠা অধিকাৰ কৰিছে।

আগন্তুক শিক্ষাবৰ্ষৰ পৰা ৰাজ্যত বন্ধ হ'ব মেধাৱী ছাত্ৰীৰ মাজত স্কুটী বিতৰণ, বৃদ্ধি কৰা হ'ব নিযুত মইনা আঁচনিৰ ধন, নিযুত বাবু আঁচনিও বাহাল থাকিব শিৰোনামৰ এটা বাতৰি দৈনিক অসম কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। একেটা বাতৰি প্ৰায় আটাইকেইখন কাকতে ভিন ভিন শিৰোনামেৰে প্ৰকাশ কৰিছে।

অসমলৈ ৫৩ হাজাৰ কোটি টকাৰ প্ৰকল্পৰ অনুমোদন পঞ্চদশ বিত্ত আয়োগৰ শিৰোনামৰ এটা বাতৰি নিয়মীয়া বাৰ্তা কাকতে প্ৰথম পৃষ্ঠাত গুৰুত্বসহকাৰে স্থান দিছে। দৈনিক অগ্ৰদূত কাকতে ছুইজাৰলেণ্ডত নহ'ল ইৰান-আমেৰিকা যুক্তৰাষ্ট্ৰৰ আলোচনা, অনিশ্চয়তাত মধ্য প্ৰাচ্যৰ শান্তি প্ৰক্ৰিয়া শীৰ্ষক এটা বাতৰি প্ৰধান বাতৰি হিচাপে প্ৰকাশ কৰিছে। একেটা বাতৰিকে দি আছাম ট্ৰিবিউন কাকতে US-IRAN TALKS CALLED OFF AFTER ISRAELI STRIKES ON LEBANAN শিৰোনামেৰে প্ৰকাশ কৰিছে।

দেশৰ বৈদেশিক কূটনীতিৰ ইতিহাসত উত্তৰ পূৰ্বাঞ্চলৰ এক নতুন মাত্ৰা প্ৰদানেৰে জাপানৰ অৰ্ধশতাধিক কৰ্পৰেট গোষ্ঠীক লগত গুৱাহাটীলৈ প্ৰধানমন্ত্ৰী টাকাইচী শিৰোনামৰ বাতৰিটো আমাৰ অসম কাকতে প্ৰথম পৃষ্ঠাত মুখ্য বাতৰিৰ স্থান দিছে।

দৈনিক জনমভূমি কাকতে দেশৰ উচ্চতম ন্যায়ালয়ৰ নামত জালিয়াতিৰে ৫ কোটি টকা সৰকোৱাৰ এটা ঘটনাৰ বাতৰি উচ্চতম ন্যায়ালয়ক প্ৰৱঞ্চনা শিৱসাগৰৰ যুৱকৰ শিৰোনামেৰে প্ৰকাশ কৰিছে।

অসমীয়া প্ৰতিদিন কাকতে মধ্যাহ্ন ভোজনৰ আহাৰৰ ২৪ শতাংশই পুষ্টিহীন শিৰোনামৰ নামৰ এটা বাতৰিক প্ৰথম পৃষ্ঠাত স্থান দিছে। দি ছেণ্টিনেল কাকতৰ শিৰোনাম NE IS CENTRAL TO JOURNEY TOWARDS VIKSIT BHARAT ।

এতিয়া পুনৰ ঘূৰি যাওঁ বাতৰিৰ মাজলৈ।

০০০০০০

মঙলদৈ মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ, শিক্ষাবিদ তথা ৰাজাপাম নিবাসী ড০ হিৰেন্দ্ৰ কুমাৰ গোস্বামীৰ কালি গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৮৫ বছৰ। আজি তেওঁৰ শেষকৃত্য সম্পন্ন হ'ব। উল্লেখযোগ্য যে বিভিন্ন কাকত আলোচনীত নিয়মীয়াকৈ লেখা প্ৰকাশ পোৱা ড০ গোস্বামীৰ দি আছাম ট্ৰিবিউন কাকতত প্ৰায় এশটা মূল্যৱান প্ৰবন্ধ প্ৰকাশ হৈছিল। তেওঁ 'মোৰ জীৱনৰ আশীটা বসন্ত' নামৰ এখন আত্মজীৱনীমূলক গ্ৰন্থ ৰচনা কৰাৰ লগতে 'দা ৰাভাছ ঃ এ ছ'চিঅ' কালচাৰেলৰ ষ্টাডি' শীৰ্ষক আন এখন মূল্যৱান গ্ৰন্থও প্ৰকাশ কৰি উলিয়াইছিল। শিক্ষাবিদ, লেখক তথা আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ এগৰাকী নিয়মীয়া শ্ৰোতা ড০ গোস্বামীৰ বিয়োগত অঞ্চলটোত শোকৰ ছাঁ পৰে।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ লগতে দুই-এজাক পাতলীয়া বৰষুণ অহাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৩ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২৬ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অসম, অৰুণাচল প্ৰদেশ, নাগালেণ্ড, মিজোৰাম, ত্ৰিপুৰা আৰু মণিপুৰৰ কোনো কোনো অংশত পাতলীয়া পৰা মজলীয়া বৰষুণ পৰাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

**সমাপ্ত**